জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৪৬/২০২৩**

<u>মহকুমা ভূমি উপদেষ্টা সমিতিৰ বৈঠকত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# মিছন বসুন্ধৰা ২.০ ৰ জৰিয়তে খিলঞ্জীয়া লোকৰ ভূমিস্বত্ত্ব প্ৰদান সুনিশ্চিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৪ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মিছন বসুন্ধৰা ২.০ ৰ অধীনত লাভ কৰা আবেদনসমূহ দ্ৰুত নিষ্পত্তিকৰণৰ উদ্দেশ্যেৰে মহকুমা ভূমি উপদেষ্টা সমিতিৰ সদস্যসকলৰ সৈতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত কৰ্মশালাত অংশগ্ৰহণ কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমত প্ৰথমবাৰৰ কাৰণে মহকুমা ভূমি উপদেষ্টা সমিতিৰ এনেধৰণৰ বৈঠকৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে দেশৰ স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো ভূমি সংক্ৰান্তীয় বিভিন্ন বিষয় আছে, যিবোৰ সমস্যা সমাধান কৰাটো সম্ভৱ হৈ উঠা নাই। ভূমিৰ সমস্যা সমাধান কৰাটো জটিল প্ৰক্ৰিয়া বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে বসুন্ধৰা আঁচনিৰ জৰিয়তে ভূমি সমস্যা লাঘৱ কৰাৰ দিশত অগ্ৰসৰ হৈছে। তেওঁ কয় যে মিছন বসুন্ধৰা ১.০ ৰ জৰিয়তে ৭ লাখ মানুহৰ ভূমি সম্বন্ধীয় সমস্যা সমাধান কৰিব পৰা হৈছে। মিছন বসুন্ধৰা ২.০ ৰ মুখ্য উদ্দেশ্য হৈছে সাধাৰণ চৰকাৰী আৰু চিলিং চৰকাৰী ভূমিৰ পট্টন। তেওঁ লগতে কয় যে খিলঞ্জীয়া লোকক বিশেষ খেতি যেনে, চাহ, ৰবৰ আদিৰ বাবে ব্যৱহাৰ কৰি থকা ভূমিৰ পট্টন, হস্তান্তৰিত একচনা পট্টাৰ ভূমি চৰকাৰীকৰণক্ৰমে পট্টন, জনজাতীয় সম্প্ৰদায়ৰ লোকক বংশানুক্ৰমে ভোগদখল কৰি থকা ভূমিৰ পট্টন, গাঁৱলীয়া চৰণীয়া পথাৰ আৰু বৃত্তিগত চৰণীয়া পথাৰত পূৰ্বে আবণ্টিত / সংস্থাপিত উপযুক্ত লোকক ভূমিৰ পট্টন আৰু দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান মিছন বসুন্ধৰা ২.০ ৰ অন্যতম লক্ষ্য।

খিলঞ্জীয়া লোকসকলে যাতে মিছন বসুন্ধৰা ২.০ ৰ জৰিয়তে ভূমি পট্টা লাভ কৰে তাক সুনিশ্চিত কৰাৰ লগতে মধ্যভোগীয়ে যাতে কোনো ক্ষেত্ৰতে প্ৰশ্ৰয় লাভ কৰিব নোৱাৰে সেই দিশত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ পৰামৰ্শ প্ৰদান কৰি এজনো যোগ্য খিলঞ্জীয়া লোকে কোনো কাৰণতে যাতে ভূমি পট্টন লাভ কৰাৰ ক্ষেত্ৰত বঞ্চিত নহয়, তাক সুনিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই দিশত যথেষ্ট সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ প্ৰদান কৰি প্ৰকৃত খিলঞ্জীয়া লোককহে যাতে পট্টা প্ৰদান কৰা হয় সেই সম্বন্ধে গুৰুত্ব দিবলৈ তেওঁ বিষয়াসকলক আহ্বান জনায়। তদুপৰি, তেওঁ ভূমি ক্ৰয়-বিক্ৰয়ৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত কোনো কাৰণতে যাতে বিলম্ব নহয় সেয়া সুনিশ্চিত কৰিবলৈ উপস্থিত বিষয়াসকল পৰামৰ্শ প্ৰদান কৰে। তেওঁ লগতে অহা ১৪ নৱেম্বৰৰ ভিতৰত নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত এশ শতাংশ প্ৰকৃত আৱেদনকাৰীয়ে যাতে এই মিছনৰ সুবিধা লাভ কৰে সেই মৰ্মে কাম কৰি যাবলৈও বিষয়াসকলক আহ্বান জনায়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

ৰাজহ বিভাগৰ প্ৰধান সচিব জি ডি ত্ৰিপাঠীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, ডাঃ ৰণোজ পেগু, চন্দ্ৰমোহন পাটোৱাৰী, যোগেন মহন, পীযুষ হাজৰীকা, বিমল বড়া, জয়ন্ত মল্লবৰুৱা, সঞ্জয় কিষাণৰ উপৰি কেইবাগৰাকী বিধায়ক, জিলা উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত, মহকুমাধিপতি, চক্ৰ বিষয়া আৰু ৰাজহ বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২৪/৩/২০২৩**